

# ক'ভিড-১৯

# নতুন ঢৌ

## ১৫টা ভুল ধাৰণা আৰু সত্য



ডাঃ সুনীল কৌল (দ্যি এণ্ট, অসম)

www.theant.org

# ভুল ধাৰণা #১:



ক'ৰণা নামৰ কোনো ভাইৰাছ নাই। ই কেৱল প্ৰচাৰ মাধ্যম আৰু চৰকাৰৰ এক সৃষ্টি হে মাথোন।

## সত্য



ক’ৰণা ভাইৰাছৰ উপস্থিতি নিশ্চিত। ই এক অতিকৈ ভয়াৱহ ঘাতক। ইয়াৰ উপস্থিতি যে সম্পূৰ্ণ সঁচা বিশ্বাস কৰিবলৈ আমি বাধ্য হ’বই লাগিব। এই ভাইৰাছে আপোনাৰ অঞ্চলৰ লোকৰো মৃত্যু ঘটাব পাৰে। গতিকে, এই ভাইৰাছে আপোনাৰ আৰু আপোনাৰ পৰিয়ালৰ কোনো ক্ষতি কৰিব নোৱাৰে বুলি প্ৰচাৰ চলাই থকা লোকক অনুগ্ৰহ কৰি এনে ধৰণৰ উৰাবাতৰি প্ৰচাৰ কৰাত বাধা দিয়ক।

# ভুল ধাৰণা #২:



ক’ৰ’ণা ভাইৰাছ (ক’ভিড-১৯ ৰোগৰ মূলক ভাইৰাছবিধ) আমাৰ সম্প্ৰদায় আৰু ধৰ্মৰ লোকসকলক দোষাৰোপ কৰাৰ বাবে এক বৈদেষিক ষড়যন্ত্ৰহে।

## সত্য



এয়া সঁচা যে এচাম ক্ষমতাশালী লোকে কিছুমান নিৰ্দিষ্ট সম্প্ৰদায়ৰ লোকেহে এই ভাইৰাছটো বিয়পোৱা বুলি দোষাৰোপ কৰিব চেষ্টা কৰিছে। এই সমস্যা সমগ্ৰ বিশ্বতে দেখা পোৱা গৈছে। এই সকল নিৰ্বোধ লোকে অতি সোনকালে ভুল প্ৰমাণিত হৈছে। এই ভাইৰাছে যিকোনো ব্যক্তিকে লক্ষ্য বনাব পাৰে। ৰজা, প্ৰজা, মন্ত্ৰী, বেংক কৰ্মচাৰী, চিনেমা জগতৰ তাৰকা, ক্ৰীড়া জগতৰ তাৰকা, চিকিৎসক, ছেলছমেন, গাঁওবাসী, নগৰবাসী, ধনী-দুখীয়া, ডাঙৰ-সৰু সকলোৱে আজি ক’ভিড ৰোগৰ সন্মুখীন হোৱা দেখা গৈছে। প্ৰত্যেক সম্প্ৰদায়ৰ, জাতিৰ, পুৰুষ, মহিলা, ৰূপান্তৰকামী লোক– কোনো ক’ভিডৰ পৰা হাত সাৰিব পৰা নাই।

# ভুল ধাৰণা #৩:



কেৱল বয়োজেষ্ঠ লোকৰহে মৃত্যু হয়।

## সত্য



এয়া সঁচা যে কভিড আক্ৰান্ত হে মৃত্যু হোৱা অধিকাংশ লোকৰেই বয়স ৬৫তকৈ বেছি। এই শ্ৰেণীৰ লোকসকলতকৈ ৪৫ বছৰৰ ওপৰৰ লোকৰ মৃত্যুঅ সংখ্যা কম। এইটো সমগ্ৰ বিশ্বতে পৰিলক্ষিত হৈছে। ভাৰতৰ দৰে উন্নয়ণশীল ৰাষ্ট্ৰ সমূহত মানুহৰ গড় আয়ুস উন্নত ৰাষ্ট্ৰৰ তুলনাত কম হোৱা বাবে ভাৰতত ৬৫ বছৰতকৈ বেছি বয়সৰ লোকৰ সংখ্যাৰ অনুপাত কম। সেয়েহে ইয়াত মৃত্যু হোৱা লোকসকলৰ বয়স ৪৫ বা তাতকৈ অধিক। তাৰোপৰি কম শতাংশ হ'লেও ৪৫তকৈ কম বয়সৰ যুৱক-যুৱতী আৰু আনকি শিশুৰো মৃত্যু হৈছে।

# ভুল ধাৰণা #৪:

যিসকল লোক সাধাৰণতে বহুমূত্ৰ ৰোগ আৰু উচ্চ ৰক্তচাপৰ বাবে চিকিৎসালয়ত ভৰ্তি হয়, তেওঁলোকৰ সেই ৰোগৰ বাবে মৃত্যু হয়। কিন্তু চিকিৎসালয় কৰ্তৃপক্ষই ক'ভিড হিচাপে নামাকৰণ কৰি ভাইৰাচটোক দোষাৰোপ কৰি চৰকাৰক টকা দাবী কৰে।

# সত্য

ক'ভিডে সাধাৰণতে ৬৫ বছৰৰ তলৰ লোকসকল যাৰ বহুমূত্ৰ ৰোগ, উচ্চৰক্তচাপ, কৰ্কটৰোগ, মেদবহুলতা আদি সমসাময়িক ৰোগত আক্ৰান্ত হৈ থাকে, তেনে লোকক আক্ৰমণ কৰে। এই কথাও সত্য যে চৰকাৰে দেশৰ কিছুমান চিকিৎসালয়ক ক'ভিদ ৰোগীৰ চোৱা চিতাৰ বাবে ধন প্ৰদান কৰিছিল (যাতে ক'ভিড ৰোগী সকলে চিকিৎসালয়ৰ আন ৰোগীলৈ ভাইৰাছ সংক্ৰমিত কৰিব বুলি ভয় খাই তেওঁলোকে ৰোগী সকলক আতঁৰাই নপঠাই), আৰু এনেক্ষেত্ৰত চিকিৎসালয় সমূহে ৰোগী কিছুমানক ভুৱা ক'ভিড ৰোগী বুলি নামাকৰণ কৰে। কিন্তু এয়া এক বিৰল ঘটনা। ভৰতবৰ্ষত চিকিৎসালয়ত ভৰ্তি হোৱা ক'ভিড ৰোগীৰ বাবে চৰকাৰৰ কোনোধৰণৰ উৎসাহমূলক পুৰস্কাৰ নাই। গতিকে এই ক্ষেত্ৰত ভূৱা ক'ভিড ৰোগী হিচাপে নামাকৰণৰ কোনো কাৰণ নাই।

# ভুল ধাৰণা #৫:



কাষৰ ঘৰত আজি এজন মানুহ ক’ভিড পজিতিভ ওলাল। এতিয়া মই আৰু মোৰ পৰিয়াল সংক্ৰমিত হোৱাটো নিশ্চিত।

# সত্য



যদিহে আপুনি পৰৱৰ্তী ১৪ দিনৰ ভিতৰত আপোনাৰ চুবুৰীয়াজনৰ ঘৰলৈ কোনো মাস্ক পৰিধান নকৰাকৈ গৈছে অথবা তেওঁলোকৰ ঘৰত ১৫ মিনিটতকৈ বেছি সময় অতিবাহিত কৰিছে, তেন্তে আপুনি ক’ভিড আক্ৰন্ত হোৱাৰ সম্ভাৱনা আছে, অন্যথা আপোনাৰ আক্ৰান্ত হোৱাৰ সম্ভাৱনা প্ৰায় শূন্য।

যদিহে আপোনাৰ ওচৰ চুবুৰীয়া ক’ভিড আক্ৰান্ত হৈছে, অনুগ্ৰহ কৰি তেওঁলোকৰ প্ৰতি সহানুভূতি দেখুৱাওক আৰু সহায় আগবঢ়াওক। তেওঁলোকৰ বাবে প্ৰয়োজনীয় খাদ্যবস্তু আৰু আন সামগ্ৰী ক্ৰয় কৰি তেওঁলোকৰ দুৱাৰদলিত ৰখাৰ ব্যৱস্থা কৰক। সামগ্ৰীখিনি দিব যাওঁতে যদি ব্যক্তিগৰাকীয়ে দুৱাৰখন খোলে, তেন্তে আপুনি সাৱধানতা অৱলম্বন কৰি তেওঁলোকৰ পৰা ৬ ফুট দূৰত্বত থাকিব। এনে কৰিলে আপোনালৈ ভাইৰাছ সংক্ৰমণ হোৱাৰ সম্ভাৱনা প্ৰায় শূন্য। মনত ৰাখিব যে সহায় কৰিলেহে সহায় পাব। বিপদৰ বন্ধু প্ৰকৃত বন্ধু।

# ভুল ধাৰণা #৬:



ঘৰৰ ভিতৰলৈ প্ৰত্যেকবিধ সামগ্ৰী অনাৰ আগত মই পৰিষ্কাৰ আৰু বিজাণুমুক্ত কৰি থাকিব নোৱাৰো। গতিকে আমি বাহ্যিক পৃষ্ঠৰ পৰা ৰোগাক্ৰান্ত হোৱাৰ বিপদৰ ডাঙৰ সম্ভাৱনা আছে।

## সত্য



প্ৰত্যেক সামগ্ৰী পৰিষ্কাৰ আৰু বিজাণুমুক্ত কৰাৰ দৰকাৰ নাই। প্ৰথম অৱস্থাত এই ধাৰণা কৰা হৈছিল যে ভাইৰাছেটাৱে মানুহক প্লাষ্টিক, গ্লাচ্, ধাতুৰ অৱয়বৰ দ্বাৰাও আক্ৰান্ত কৰায়। কিন্ত এই ধাৰণা এতিয়া অসত্য বুলি প্ৰমাণিত হৈছে। যদি এজন ক্'ভিড ৰোগীয়ে নিজৰ চকু, মুখ আৰু নাক স্পৰ্ষ কৰি সেই হাতেৰে যিকোনো গ্লাচ্, প্লাষ্টিক বা অন্য কোনো ধাতুৰ পৃষ্ঠৰ স্পৰ্ষ কৰে আৰু সেই পৃষ্ঠ অন্য ব্যক্তিয়ে স্পৰ্ষ কৰি নিজৰ মুখ, নাক বা চকু স্পৰ্ষ কৰে, তেনেক্ষেত্ৰত সংক্ৰমণৰ আশংকা থাকে। এই ক্ষেত্ৰত চিকিৎসালয় ব্যৱস্থা, চিকিৎসালয় অভিমূখে যোৱা বাছ আদিৰে পৰিবহন ব্যৱস্থা বা অন্য এনেধৰণৰ জনসমাগম হোৱা ঠাইত সংক্ৰমণৰ অধিক আশংকা থাকে। মাস্ক ব্যৱহাৰ কৰিলে আমি নিজৰ মুখ আৰু নাক স্পৰ্ষ কৰাৰ পৰা বিৰত থকাৰ লগতে, বাহিৰৰ পৰা আহি ঘৰত সোমাই চাবোনেৰে ভালকৈ হাত ধুই ল'লে যিকোনো বীজাণুমুক্ত পৃষ্ঠৰ পৰা সংক্ৰমণ হোৱাৰ পৰা আতঁৰি থাকিব পাৰো।

# ভুল ধাৰণা #৭:



মই নিজকে ভগৱানৰ ওচৰত অৰ্পন কৰিছো। তেওঁৰ আশীৰ্বাদত মোক কোনো ক'ৰ'ণাই আক্ৰমণ কৰিব নোৱাৰে।

## সত্য



জনপ্ৰিয় ঘটনা—বহু বয়োজষ্ঠলোকে ভগৱানৰ ওচৰত পূজা-অৰ্চনা কৰি সময় অতিবাহিত কৰে আৰু তাৰে অধিকাংশই ক'ভিডত আক্ৰান্ত হৈ মৃত্যুৰ মূখত পৰিছে! বৃহৎ ধৰ্মীয় অনুষ্ঠান সমূহত গোট খোৱা জনসমাগমে ক'ভিডৰ প্ৰাদুৰ্ভাৱ আৰু প্ৰৱল কৰি তুলিছে। এনে অনুষ্ঠানত অংশগ্ৰহণ কৰা অনেক লোক আৰু ধৰ্মীয় গুৰু সকল ক'ভিড আক্ৰান্ত হৈ মৃত্যু হোৱা পৰিলক্ষিত হৈছে।

# ভুল ধাৰণা #৮:



মোৰ বিশ্বাস যে এই ভাইৰাছটো ভগৱানে আমাক শিক্ষা দিবলৈ পঠাইছে। গতিকে ভগৱানৰ বিৰুদ্ধে গৈ আমি ক'ৰ'ণাৰ প্ৰতিষেধক লোৱাটো আৰু চিকিৎসাধীন হোৱাটো অনুচিত।

## সত্য



যদি সেয়ে সঁচা, তেন্তে সেই একেজন ভগৱানেই প্ৰতিষেধক আৱিষ্কাৰ কৰা লোকসকলক আৰু আমাক চিকিৎসা কৰা চিকিৎসক আৰু নাৰ্চসকলকো সৃষ্টি কৰিছে। তদুপৰি এয়া জানো সঁচা নহয় যে ভগৱানে আমাক চিন্তা চৰ্চা কৰিবলৈ এটা সুস্থিৰ মগজু দিছে, যাতে আমাৰ মগজুৱে মনটোক পৰিচালনা কৰিব পাৰে?! গতিকে আহক, আমি যুক্তিসংগত ভাবে এই সময়ত মাস্ক পৰিধান কৰো, নিজৰ হাতখন ভালকৈ ধোঁ আৰু প্ৰতিষেধক টিকা লওঁ। এয়া আমাৰ নিজৰ বাবে, আমাৰ বৃদ্ধ পিতৃ-মাতৃৰ আৰু পৰিয়ালৰ বাবে, সমাজ, দেশ আৰু সমগ্ৰ বিশ্বৰ বাবে এক দয়বদ্ধতা।

# ভুল ধাৰণা #৯:

মই জানো যে ভাইৰাছেটোৱে মোৰ দেহত থিতাপি লৈছে। জ্বৰ-কাঁহে মোক জুৰুলা কৰিছে, মই উশাহ ল’বলৈ কষ্ট পাইছো। মোৰ মৃত্যু নিশ্চিত, গতিকে চিকিৎসালয়লৈ গৈ মিছাতে পইচা নষ্ট কৰাৰ কোনো মানে নাই।

# সত্য

এয়া সঁচা যে ক’ভিডক আমাৰ দেহত সোমাবলৈ বাধা দিয়াটোৱে আটাইতকৈ সহজ আৰু সস্তীয়া বিকল্প। চৰকাৰে বিনামূলীয়াকৈ যোগান ধৰা প্ৰতিষেধক টিকাকৰণ সম্পূৰ্ণ হোৱাৰ পিছত আমি ক’ভিডাতাংকৰ পৰা বা চিকিৎসালয়ত ভৰ্তি হোৱা বা মৃত্যুৰ ভয়ৰ পৰা প্ৰায় মুক্ত। তথাপি, বৰ্তমান সময়ত আপোনাৰ জীৱন ৰক্ষাৰ হেতুকে সুফলদায়ক বিশেষ ঔষধপাতিৰো ব্যৱস্থা হৈছে। আপুনি মাত্ৰ আপোনাৰ শৰীৰত অক্সিজেনৰ মাত্ৰা লক্ষ্য কৰি থাকিব লাগিব যাতে দেৰি হৈ যোৱাৰ আগতেই সঠিক সময়ত গৈ চিকিৎসালয়ত ভৰ্তি হ’বগৈ পাৰে।

# ভুল ধাৰণা ১০:



ক’ৰ’ণা প্ৰতিষেধক এতিয়াও সম্পূৰ্ণ ৰূপে পৰীক্ষা সম্পন্ন হোৱা নাই আৰু সম্পূৰ্ণ সুৰক্ষিত ন’হ’বও পাৰে। মই প্ৰতিষেধক গ্ৰহণ কৰি জীৱন আৰু স্বাস্থ্যৰ বিপদৰ সম্ভাৱনা মুৰ পাতি লৈছো।

# সত্য



ক’ভিড-১৯ প্ৰতিষেধক সুৰক্ষিত আৰু ফলপ্ৰসূ। বৰ্তমান সমগ্ৰ পৃথিৱীৰ ডাক্তৰ, নাৰ্চকে ধৰি কোটি কোটি মানুহে ইয়াক গ্ৰহণ কৰিছে। ইয়াৰ পাৰ্শ্বক্ৰিয়া থাকিব পাৰে কিন্তু এই পাৰ্শ্বক্ৰিয়া ভাইৰাছৰ আক্ৰমণৰ তুলনাত নগন্য।

ক’ভিড-১৯ ভাইৰাচৰ বিৰুদ্ধে প্ৰতিৰোধ গঢ়ি তুলিবলৈ এই প্ৰতিষেধকে ২ৰ পৰা ৩ সপ্তাহ সময় লয়। নিৰ্ধাৰিত ঔষধৰ প্ৰথম পালিৰ পাৰ ৩ সপ্তাহলৈকে বা দ্বিতীয় পালিৰ পৰা ২ সপ্তাহলৈকে এজন ব্যক্তি সম্পূৰ্ণ টিকাকৰণ যুক্ত বুলি ক’ব নোৱাৰিব। সম্পূৰ্ণ প্ৰতিষেধক লোৱা ব্যক্তিয়ে এই অতিমাৰীৰ সময়ত বন্ধ কৰা কাম কাজবোৰ পুনৰ আৰম্ভ কৰিব পাৰে। এই প্ৰতিষেধক সম্পূৰ্ণ ৰূপে গ্ৰহণ কৰা আমাৰ কৰ্তব্য যাতে আমি নিজক বচাই ৰখাৰ লগতে ভাইৰাছটো সংক্ৰমণৰ হাৰ হ্ৰাস কৰিব পাৰো।

# ভুল ধাৰণা #১১:



এই ভাইৰাছৰ পৰা আঁতৰত থাকিবলৈ বহু ব্যক্তিয়ে বিকল্প চিন্তাৰে আগবাঢ়ি সুফল লাভ কৰিছে, যিবোৰ ব্যৱস্থা চিকিৎসকে এতিয়াও ব্যক্ত কৰা নাই।

# সত্য



৯০% মানুহ নিজস্ব ব্যৱস্থাৰে আৰোগ্য লাভ কৰাৰ লগতে বহুতে গমো নাপাব পাৰে যে তেওঁলোক আক্ৰান্ত হৈছে। গতিকে যদি কোনোবাই কিবা প্ৰতিকাৰৰ চেষ্টা কৰে, সেই প্ৰতিকাৰক অৱধাৰিত ভাৱেই স্বিকৃতি দিব লাগিব। এই ৰোগত আক্ৰান্ত প্ৰায় শ শ মানুহৰ ওপৰত বৈজ্ঞানিক ভাৱে দৰৱ আৰু প্ৰতিষেধকৰ পৰীক্ষা কৰা হৈছে। কিছুমান ঘৰুৱা প্ৰতিকাৰ যেনে আমাৰ দৈনন্দিন খাদ্যাহাৰ জড়িয়তে পুষ্টি আৰু প্ৰতিৰোধ ক্ষমতা বঢ়াব পাৰো। কিন্তু ক্ষতিৰ সম্ভাৱনা থকা প্ৰতিকাৰ সমূহ যেনে – কৰ্পূৰ শুঙা বা গোবৰ খোৱাৰ দৰে উপায় কিছুমানো প্ৰত্যক্ষ কৰা হয়। অনুগ্ৰহ কৰি হোৱাটছএপৰ (WhatsApp) তথ্য সমূহক অন্ধভাৱে বিশ্বাস কৰাৰ পৰা বিৰত থাকক।

# ভুল ধাৰণা #১২:



মই ঘৰৰ বাহিৰ ওলাবলৈ আৰু কাম কৰিবলৈ ভয় কৰো কিয়নো, মোৰ পৰিয়ালৰ কোনো লোকৰ ক’ভিড হ’লে, আৰোগ্য লাভ কৰিবলৈ দৰৱ ক্রয় কৰোতে বহু টকাৰ প্রয়োহন হ’ব।

## সত্য



এই কথা সত্য যে, যদি এজন ব্যক্তি মাস্ক পিন্ধাৰ ক্ষেত্রত সচেতন হয়, কাৰোবাক লগ পোৱাৰ সময়ত অতি কমেও ৬ ফুট দুৰত্ব বজাই ৰাখে, বিয়া সবাহ বা আন অনুষ্ঠানৰ জনসমাগম এৰাই চলে, তেনে লোকৰ ক’ভিড হোৱাৰ আশংকা যঠেষ্ট কম। গতিকে, যেতিয়া চৰকাৰৰ অনুমতি সাপেক্ষে ক’ভিড বিধি মানি চলি আমি কর্ম ক্ষেত্রত কাম কৰিব পাৰো।

( ক্রমশঃ )

## ভুল ধাৰণা ১২ (ক্ৰমশঃ)

## ...দৰৱৰ বিষয়ে সত্যতা -

খুব কম সংখ্যক দৰৱেহে ক'ভিড ৰোগীক মৃত্যু মুখৰ পৰা ৰক্ষা কৰিব পাৰে। সেইবোৰ হৈছে –

১) পেৰাচিতাম'লৰ দৰে পিল, যিয়ে জ্বৰ কমাব পাৰে।

২) বুডেচ'নাইড ইনহেলাৰ – আগতে ইয়াক হাঁপানি ৰোগীৰ বাবে ব্যৱহাৰ কৰা হৈছিল। ই সংকটজনক ক'ভিড ৰোগীৰ ক্ষেত্ৰত ক্ৰমাগত ভাৱে বাঢ়ি অহা জ্বৰ বা কাঁহৰ প্ৰতিকাৰৰ বাবে প্ৰয়োগ কৰা হয়।

৩) জেক্সথামিথাচন বা প্ৰেডনিচ'ল'ন জাতীয় ষ্টেৰৈড বড়ী বা বেজী ক'ভিড হোৱাৰ কেৱল এক সপ্তাহ পাছত দিব পাৰি। অথবা নিউম'নিয়াৰ লক্ষণ যুক্ত ৰোগীৰ ক্ষেত্ৰত অক্সিজেন হ্ৰাস হ'লে ইয়াক প্ৰয়োগ কৰা হয়।

৪) ৫% ৰোগীৰ তেজত অক্সিজেনৰ পৰিমাণ কমি গ'লেও অক্সিজেনৰ প্ৰয়োজন হৈ পৰে।

এই সমূহ বহু দশকৰ পৰা আমাৰ লগত আছে আৰু আমাৰ বাবে সহজলভ্য। এই সমূহৰ বাদে চিকিৎসা বিজ্ঞানৰ দ্বাৰা কোনো অন্য দৰব প্ৰমাণিত হোৱা নাই যি মৃত্যুৰ হাৰ হ্ৰাস কৰিব পাৰে।

( ক্ৰমশঃ )

## ভুল ধাৰণা  ১২ (ক্ৰমশঃ)

## ...দৰৱৰ বিষয়ে সত্যতা -

ভিটামিন চি, জিংক, হাইড্ৰক্সিক্ল'ৰ'কুইন, এজিথ্ৰ্মাইচিন, ইভাৰ্মেকটিন, ফেভিপিৰাভিৰ,আৰু আনকি ৰেমডিচিভিৰ আদিৰ পৰিক্ষাৰ অন্তত প্ৰমাণ পোৱা গ'ল যে, এইবোৰৰ ক'ভিডৰ পৰা প্ৰাণ ৰক্ষা কৰাত কোনো প্ৰভাৱ নেপেলায়। বজাৰত আকাশলংঘী মূল্যত বিক্ৰী হৈ থকা ৰেমডিচিভিৰ দৰৱে চিকিৎসালয়ত থকা মধ্যমীয়া ৰোগীৰ চিকিৎসালয়ৰ দিন হ্ৰাস কৰিব পাৰে। ই অতি বেছিকৈ ভৰ্ত্তি হৈ থকা চিকিৎসালয়ৰ পৰা ৰোগীক মুক্ত কৰি দিয়ে। ৰেমডিচিভিৰ যিকোনো ৰোগৰ প্ৰথমতেই প্ৰদান কৰিলে কোনো সুফল পোৱা নাযায় অথবা সংকটপূৰ্ণ ৰোগীক শেষত প্ৰদান কৰিলেও মৃত্যুৰ হাৰ হ্ৰাস কৰিব পৰা নাযায়। চিকিৎসকে জনতাৰ দাবীত এই দৰৱ লিখিব পাৰে অথবা কোনো চিকিৎসকে দৰৱ উৎপাদনকাৰী প্ৰতিষ্ঠানৰ পোৱা বক্সিচৰ আশাত এই দৰৱৰ অনুমোদন জনায় ।

ক'ভিডত মৃত্যু হোৱা কোনো ৰোগীৰ ক্ষেত্ৰত অত্যাধিক দামী ঔষধ কিনি খুৱাব নোৱাৰা বাবে মৃত্যু হোৱা বুলি ভৱাৰ কোনো অৰ্থ নাই। আমি ওপৰত উল্লেক্ষ কৰা চাৰি প্ৰকাৰৰ ঔষধৰ বাহিৰে কোনো ঔষধে মৃত্যু হ্ৰাস কৰিব নোৱাৰে। উক্ত দৰৱ সমূহ সহজলভ্য আৰু সুলভ মূল্যৰ।

# ভুল ধাৰণা #১৩:



মই মোৰ সম্পৰ্কীয় ব্যক্তি বা বন্ধু বৰ্গ যি সকল ক'ভিড আক্ৰান্ত, তেওঁলোকক সহায় কৰিব বিচাৰো কিন্তু নিজেও এই ৰোগৰ দ্বাৰা আক্ৰান্ত হৈ পৰিয়ালৰ অন্য লোকলৈ এই বেমাৰৰ বীজাণু বিয়পোৱাৰ ভয় থাকে।

# সত্য



আমি এই অতিমাৰীৰ বিপদৰ সময়ত আমাৰ সম্পৰ্কীয় ব্যক্তি বা বন্ধু বৰ্গক সহজতে সহায়ৰ হাত আগবঢ়াব পাৰো। আমি নিজে আক্ৰান্ত নোহোৱাকৈ বা পৰিয়ালৰ লোকৰ বাবে ভয়াবহতা কঢ়িয়াই ননাকৈ এনেদৰে সহায় আগবঢ়াব পাৰো –

- তেওঁলোকক দৈনিক ফোন কৰি নিয়মীয়া পৰীক্ষাৰ বাবে আহ্বান জনাব পাৰো।
- তেওঁলোকৰ প্ৰয়োজনীয় ঔষধ বা অন্যান্য খাদ্যসামগ্ৰী যোগান ধৰিব পাৰো। কিনত্ত ধ্যান ৰাখিব যে- *এই সামগ্ৰী সমূহ যোগান ধৰোতে আক্ৰন্ত ব্যক্তিজনৰ পৰা ৬ৰ পৰা ১০ ফিট দুৰত্ব বজাই ৰাখি দুৱাৰৰ সন্মুখে বা হেন্ডেলত আঁৰি থৈ আহিব লাগে।*
- যদিহে তেওঁলোকৰ ঘৰ আপোনাৰ ঘৰৰ ফোন যোগে কথা পাতি তেওঁলোকৰ খবৰ ল'ব পাৰে।

(ক্ৰমশঃ)

## ভুল ধাৰণা ১৩ (ক্ৰমশঃ)

## আনক সহায় কৰাৰ প্ৰক্ৰিয়াৰ সত্যতা –

- অথবা তেওঁলোকৰ লগত শাৰীৰিক দূৰত্ব বজাই ৰাখি ৫ বা ১০ মিনিটৰ বাবে হাঁহি-স্ফুৰ্তিৰ কথা বা আপোনাৰ সন্তানৰ কথা বা আন কোনো মন পাতলাব পৰা কথা পাতক। আপুনি অক্সিমিটাৰৰ সহায়ত তেওঁলোকৰ অক্সিজেনৰ মাত্ৰা জোখাত সহায় কৰি তেওঁলোকৰ অৱস্থাৰ বিষয়ে জনাতো সহায় কৰিব পাৰে ।

আমি এনেধৰণেও বন্ধু বৰ্গক সহায় কৰিব পাৰো –

- তেওঁলোকৰ নিকতৱৰ্তী ঠাইৰ ঔষধৰ দোকানৰ বিষয়ে জানি লৈ প্ৰয়োজনত অতি সোনকালে ঔষধ যোগান ধৰাৰ ব্যৱস্থা কৰা।
- চিকিৎসালয়লৈ যাবলৈ প্ৰয়োজনত সহজতে টেক্সী গাড়ীৰ ব্যৱস্থা কৰা।
- কভিড আক্ৰান্ত ব্যক্তিৰ ওচৰচুবুৰীয়াৰ ফোন নং সংগ্ৰহ কৰি সময়তে প্ৰয়োজনীয় পৰীক্ষা নিৰীক্ষা বা খবৰ খাতি লৈ মনোবল যোগোৱাৰ ব্যৱস্থা কৰা।

# ভুল ধাৰণা #১৪



ক’ভিডৰ নামত প্ৰত্যেকে আনক ঠগি ধন উপাৰ্জন কৰি আছে। এই সময়ত বিশ্বাস কৰিব পৰা কোনো নাই।

## সত্য



এই কথা নিৰ্ভৰ কৰিব আপোনাৰ জীৱনৰ প্ৰতি দৃষ্টিভংগিৰ ওপৰত। এই কথা সম্পুৰ্ণ ভুল বুলি দাবি কৰিব নোৱাৰি যে এচাম সুবিধাবাদী লোকে ক’ভিড ৰোগীৰ বাবে প্ৰয়োজনীয় বিচনা, অক্সিজেন আৰু দৰৱৰ নাটনিৰ সুযোগ লৈছে। কিন্তু তাৰ মাজতে এনে বহু যুৱক-যুৱতী আৰু বয়সীয়া লোক আছে যিসকলে আমাক প্ৰমাণ কৰি দেখুৱাইছে যে আমাৰ মাজত মানৱীয়তা এতিয়াও জীয়াই আছে। সহায়ৰ হাত আগবঢ়াবলৈ তেওঁলোক উঠি পৰি লাগিছে। গতিকে, আমি এনে লোকৰ উদ্যম আৰু বিশ্বাসক আগত ৰাখি মানৱীয়তাৰ ওপৰত আস্থা ঘূৰাই আনিবলৈ যত্নপৰ হ’ব লাগিব। প্ৰত্যক্ষভাৱে তেওঁলোকৰ লগ হ’ব নোৱাৰিলেও অন্তত এইসকল লোকক উৎসাহ দিয়ক আৰু সহায় আগবঢ়াওক।

# ভুল ধাৰণা #১৫

চৰকাৰে কোনো ব্যৱস্থা হাতত লোৱা নাই। যদি মই ক'ভিডৰ চিকিৎসাৰ বাবে চৰকাৰী চিকিৎসালয়ত ভৰ্তি হ'লে মোৰ মৃত্যু নিশ্চিত।

# সত্য

দেশত ক'ভিড অতিমাৰীয়ে থিতাপি লোৱাৰ আগৰ কালছোৱালৈ যদি আমি মনত পেলাওঁ তেন্তে বুজিম যে আমাৰ দেশৰ চৰকাৰী স্বাস্থ্য ব্যৱস্থা আগৰে পৰাই ত্ৰুটিপূৰ্ণ। এই আশুৱাহবিলাক সকলোৰে দৃষ্টিগোচৰ হৈছে। কিন্তু ইয়াৰ অৰ্থ এইটো নহয় যে আমি চৰকাৰী চিকিৎসালয়লৈ গৈ কোনো লাভ নাই। সঁচা ক'ব গ'লে ক'ভিড অতিমাৰীৰ প্ৰথমটো ঢৌৱে যেতিয়া দেশবাসীক জুৰুলা কৰিছিল, সেই সময়ত কিন্তু ব্যক্তিগত খণ্ডৰ চিকিৎসালয় সমূহে ক'ভিড ৰোগীক চিকিৎসা কৰিবলৈ অমান্তি হৈছিল। তেতিয়া আমাৰ চৰকাৰী চিকিৎসালয় সমূহেহে ৰোগীসকলৰ উচিত যত্ন লৈছিল। গতিকে, যদিও আমাক উন্নত মানৰ চৰকাৰী স্বাস্থ্য ব্যৱস্থাৰ প্ৰয়োজন আছে, আমি চৰকাৰী চিকিৎসালয়ক অৱহেলা কৰাটো সঠিক নহয়। এনে কোনো তথ্যৰ দ্বাৰা প্ৰমাণিত নহয় যে চৰকাৰী চিকিৎসালয়ৰ তুলনাত বেছি সংখ্যক ৰোগী কেৱল অত্যাধুনিক, দামী ব্যক্তিগত খণ্ডৰ চিকিৎসালয়তহে সুস্থ হৈ উঠিছে। গতিকে প্ৰয়োজন সাপেক্ষে জীৱন বচাবলৈ আমি চৰকাৰী চিকিৎসালয়লৈ যোৱাটো জৰুৰী।